ঘ

দৈনিক অসম, গুৱাহাটী, ৩০ জানুৱাৰী, ২০১৩

বুধবৰীয়া বুলনি

DAINIK ASAM, Guwahati, Wednesday, January 30, 2013

২৬/১১ আক্রমণত বুলেটৰ আঘাত পায়ো কথমপি জীৱন ৰক্ষা পৰা আমেৰিকাৰ এগৰাকী মহিলাই কৈছিল যে তপত এটুকুৰা সীহে শৰীৰত কেনে যন্ত্রণাৰ সৃষ্টি কৰে তাক বুজিবলৈ এই অপৰাধ সংঘটিত কৰা অপৰাধীসকলৰ একমাত্র শাস্তি হোৱা উচিত মৃত্যুদণ্ড। সেয়েহে ডেভিড হেডলীৰ ক্ষেত্রত সকলোৱে মৃত্যুদণ্ড নহ'লেও অন্ততঃ (অনির্দিষ্টকালীন) যাৱজ্জীৱন কাৰাদণ্ড হোৱাৰ পোষকতা কৰিছিল।

হেডলী আৰু ২৬/১১ৰ বলিৰ প্রতি ন্যায়

সাময়িকী | জিতুমণি পাঠক

২৬/১১ ৰ মুম্বাই কাণ্ডৰ মূল অভিযুক্ত আজমল কাছভ ফাঁচিৰ পিছত এই ঘটনাৰ ভুক্তভোগী তথা সমগ্র ভাৰতীয় জনসাধাৰণে ন্যায়িক ব্যৱস্থাই অপৰাধীক দিয়া শাস্তিৰ প্রতি মুকলিভাৱে সন্তুষ্টি প্রদর্শন কৰিছিল। আশা কৰিছিল মুম্বাই কাণ্ডৰ সৈতে জড়িত আন আন অপৰাধীৰ ক্ষেত্রতো তদনুৰূপ ব্যৱস্থাই গ্রহণ কৰা হ'ব। কিন্তু যোৱা ২৪ জানুৱাৰীত মুম্বাই কাণ্ডৰ ষড়যন্ত্রৰ অন্যতম অংশীদাৰ হিচাপে চিহ্নিত লস্কৰ-ই-তৈবাৰ এগৰাকী সদস্য ডেভিড হেডলীক আমেৰিকাৰ এখন আদালতে শাস্তিৰ মাদ হিচাপে পঁইত্রিশ বছৰ কাৰাদণ্ড প্রদান কৰা কাৰ্যত বহু মহলত, বিশেষকৈ ভাৰতত তীব্র প্রতিক্রিয়াৰ সৃষ্টি হৈছে। আমেৰিকা যুক্তৰাজ্য, যি সৰ্বদা সন্ত্রাসবাদৰ বিৰুদ্ধে কঠোৰ মনোভাৱ পোষণ কৰি আহিছে, তেনে এখন দেশৰ ন্যায়িক ব্যৱস্থাই শতাধিক লোকৰ প্রাণ নিয়া এগৰাকী জঘন্য অপৰাধীৰ প্রতি এনে নমনীয়তা প্রদর্শন কৰাটো বহুতে সহজভাৱে ল'ব পৰা নাই। ২০০৮ চনৰ মুম্বাই কাণ্ডত প্রায় ১৬৬ জন লোকৰ প্রাণ হানি হোৱাৰ লগতে বহুকেইজন লোক জীৱনৰ বাবে ঘুণীয়া হৈছিল। মৃত্যু হোৱাসকলৰ ভিতৰত ছগৰাকী আমেৰিকাৰ নাগৰিকো আছিল। এই আক্রমণত বুলেটৰ আঘাত পায়ো কথমপি জীৱন ৰক্ষা পৰা আমেৰিকাৰ এগৰাকী মহিলাই কৈছিল যে তপত এটুকুৰা সীহে শৰীৰত কেনে যন্ত্রণাৰ সৃষ্টি কৰে তাক বুজিবলৈ এই অপৰাধ সংঘটিত কৰা অপৰাধীসকলৰ একমাত্র শাস্তি হোৱা উচিত মৃত্যুদণ্ড। সেয়েহে ডেভিড হেডলী ক্ষেত্রত সকলোৱে মৃত্যুদণ্ড নহ'লেও অন্ততঃ (অনির্দিষ্টকালীন) যাৱজ্জীৱন কাৰাদণ্ড হোৱাৰ পোষকতা কৰিছিল। তদুপৰি ৯/১১ৰ ঘটনাৰ পিছত আমেৰিকাই বিশ্ব মহলত নিজৰ যি সন্ত্রাসবিৰোধী স্থিতি প্রদর্শন কৰিছিল তাৰ পৰিপ্রেক্ষিতত হেডলীৰ বিৰুদ্ধে আমেৰিকাৰ ন্যায়িক ব্যৱস্থাই এক আশানুকূল সিদ্ধান্তই গ্রহণ কৰিব বুলি ভবা হৈছিল। কিন্তু যোৱা বৃহস্পতিবাৰে চিকাগোৰ এখন আদালতে হেডলীৰ বিৰুদ্ধে যি ৰায়দান কৰিলে তাত স্বাভাৱিকতে বিস্ময় প্রকাশ কৰিছে বিশ্ব মহলে। বিশ্বত সৃষ্টি হোৱা এই প্রতিক্রিয়াৰ উত্তৰ হিচাপে জিলা ন্যায়াধীশ হেৰী লেইনেনৱেবাৰে কৈছে যে সম্প্রতি বাৰম্বাৰ বহুতত ভবি দিয়া ডেভিড হেডলীয়ে তেওঁ প্রদান কৰা শাস্তিৰ মাদেৰে তেওঁৰ স্বাভাৱিক জীৱন জেলতেই শেষ কৰিব লাগিব। সেই দিশৰপৰা হেডলীৰ ওপৰত ধার্য কৰা শাস্তি যাৱজ্জীৱন কাৰাদণ্ডৰ লেখীয়াই। লেইনেনৱেবাৰে আৰু উল্লেখ কৰে যে হেডলীৰ দৰে অপৰাধী প্রকৃততে তেনে শাস্তিৰ বাবেই উপযুক্ত। তৎসত্ত্বেও ডেভিড হেডলীয়ে মৃত্যুদণ্ডৰপৰা হাত সাৰিব পৰাৰ কাৰণ আছিল গ্রেপ্তাৰৰ ঠিক পিছপৰাই তেওঁ পালন কৰা ভূমিকা। তদুপৰি বিচাৰাধীন কালছোৱাত হেডলীয়ে তেওঁৰ অধিবক্তাৰ দ্বাৰা লেইনেনৱেবাৰক লিখিতভাৱে জনাইছিল যে সম্প্রতি তেওঁ নিজৰ ভুল অনুধাৱন কৰিবলৈ সক্ষম হৈছে আৰু নিজকে সম্পূর্ণৰূপে সলনি কৰিও পেলাইছে। কিন্তু জিলা ন্যায়াধীশগৰাকীৰ মতে, হেডলীৰ সেই ভাষ্যই তেওঁক অকণো প্রভাৱান্বিত কৰা নাছিল আৰু এনে এক কুখ্যাত অপৰাধীৰ মুখ বিচৰণে ভৱিষ্যতে কেনে এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে সেই দিশটোৰ প্রতি লক্ষ্য ৰাখিয়েই এনে দীর্ঘ কাৰাবাসৰ ব্যৱস্থা কৰা হৈছে। তথাপি প্রশ্ন হয় যদি এনে দিশবোৰৰ প্রতি চিন্তা কৰাই হৈছিল তেন্তে এনে এক কমোৱাৰ চেষ্টা কৰে। পাকিস্তানী ড্রাগ ব্যৱসায়ীৰ সৈতে থকা বহুদিনীয়া সম্পর্কৰ আধাৰত তেওঁ আমেৰিকাক ড্রাগ সৰবাহ সম্পর্কীয় তথ্য যোগান দিয়াৰ প্রতিশ্রুতি দিয়ে। ইয়াৰ ফলত তেওঁৰ সহযোগী পাকিস্তানী ড্রাগ ব্যৱসায়ীজনৰ তুলনাত হেডলীৰ শাস্তিৰ পৰিমাণ বহু কমি যায়। তদুপৰি আমেৰিকাৰ 'ড্রাগ এনফৰ্চমেণ্ট এণ্ড মিনিষ্ট্রেচন'ৰ সৈতে হোৱা চুক্তি মর্মে গোপন তথ্য যোগান ধৰাৰ দায়িত্ব লৈ পাকিস্তানলৈ যোৱাৰ সুবিধা পায়। এই সুবিধাক ডেভিড হেডলীয়ে দুই ধৰণে ব্যবহাৰ কৰে। আমেৰিকাক ড্রাগছ সৰবাহ সম্পর্কীয় পর্যাপ্ত তথ্য যোগান ধৰি থকাৰ লগতে লস্কৰ-ই-তৈবাৰ সহযোগত নিজৰ সন্ত্রাসবাদী প্রশিক্ষণো চলাই যায়। ২০০২ ৰপৰা ২০০৫ ৰ ভিতৰত এই উদ্দেশ্যে তেওঁ কেইবাবাৰো পাকিস্তান ভ্রমণ কৰে। ২০০৬ৰ পৰা ২০০৮ ৰ ভিতৰত হেডলীৰ প্রকৃত সন্ত্রাসবাদী কার্যকলাপ আৰম্ভ হয়। লস্কৰ-ই-তৈবাৰ নির্দেশত এই সময়ছোৱাত হেডলীয়ে পাঁচবাৰকৈ ভাৰতলৈ গৈ গোপন অভিযান চলায়। এই গোপন অভিযানত যাতে তেওঁৰ প্রতি কাৰো সন্দেহৰ দৃষ্টি নপৰে তাৰ বাবে তেওঁ পূর্ব বাহিনীয়ে আফগানসকলৰ ওপৰত চলোৱা আক্রমণৰ প্রতি তীব্র বিযোদগাৰ প্রদর্শন কৰা তেওঁৰ এক ই-মেইল বার্তা ইতিমধ্যে চোৰাচোৰাই উদ্ধাৰ কৰিবলে সক্ষম হৈছে। আমেৰিকাত থকা কালছোৱাত ডাউদ ওৱফে ডেভিদ হেডলীয়ে তেওঁৰ ড্রাগছ আসক্তিৰ বাবে এবাৰ গ্রেপ্তাৰ হ'বলগীয়াত পৰে যদিও সেইবাৰলৈ অতি কম শাস্তিৰে তেওঁ ৰক্ষা পৰে। কিন্তু ১৯৯৭ চনত যেতিয়া এগৰাকী পাকিস্তানী ড্রাগ ব্যৱসায়ীৰ সৈতে তেওঁ হিৰোইন সৰবাহৰ অভিযোগত গ্রেপ্তাৰ হয়, তেতিয়া হেডলীয়ে নিজৰ চাতুৰালিৰে পুলিচ সৈতে সম্পূর্ণ সহযোগিতা প্রদর্শন কৰি নিজৰ শাস্তিৰ পৰিমাণ



মাতৃ আৰু ভগ্নীৰ সৈতে শিশু হেডলী



কাৰাদণ্ড হোৱাৰ পোষকতা কৰিছিল। কিন্তু জিলা ন্যায়াধীশগৰাকীৰ মতে, হেডলীৰ সেই ভাষ্যই তেওঁক অকণো প্রভাৱান্বিত কৰা নাছিল আৰু এনে এক কুখ্যাত অপৰাধীৰ মুখ বিচৰণে ভৱিষ্যতে কেনে এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে সেই দিশটোৰ প্রতি লক্ষ্য ৰাখিয়েই এনে দীর্ঘ কাৰাবাসৰ ব্যৱস্থা কৰা হৈছে। তথাপি প্রশ্ন হয় যদি এনে দিশবোৰৰ প্রতি চিন্তা কৰাই হৈছিল তেন্তে এনে এক

জঘন্য সন্ত্রাসবাদীৰ কিম মৃত্যুদণ্ড অথবা যাৱজ্জীৱন কাৰাদণ্ডও ব্যবস্থা কৰা নহ'ল। হেডলী প্রকৃততেই এক চতুৰ অপৰাধী আছিল। গ্রেপ্তাৰৰ পিছতেই হেডলীয়ে আমেৰিকাক সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ বিনিময়ত নিজকে মৃত্যুদণ্ডৰপৰা ৰক্ষা কৰাৰ পথ মুকলি কৰি লৈছিল। আমেৰিকাই দিয়া তথ্য মতে হেডলীয়ে সন্ত্রাসবাদী সংগঠন লস্কৰ-ই-তৈবা সম্পর্কে যিবোৰ তথ্য প্রকাশ কৰিছে সেইবোৰ অনন্য আৰু পূর্বতে কেতিয়াও জনাটো সম্ভৱ হোৱা নাছিল।

ডেভিদ হেডলীৰ অতীত জীৱনৰ পৃষ্ঠা লুটিয়াই চালে দেখা যায় যে পূর্বেও তেওঁ যেতিয়াই কোনো অপৰাধী কার্যৰ বাবে গ্রেপ্তাৰ হ'বলগীয়াত পৰিছে তেতিয়াই নিজৰ শাস্তিৰ মাদ কমাবলৈ এই চাতুৰালিৰ প্রয়োগ কৰিছে। পাকিস্তানী পিতৃ চৈদ চালিম গিলানী আৰু আমেৰিকাৰ মাতৃ চেৰিল হেডলীৰ সন্তান ডেভিদ হেডলীৰ জন্মসূত্রে নাম আছিল ডাউদ ছৈদ গিলানী। আমেৰিকাৰ বাশ্বিংটন ডি চিৰ পাকিস্তান এম্বেছীত পিতৃ গিলানী আৰু মাতৃ চেৰিল যথাক্রমে কূটনীতিবিদ আৰু সচিব হিচাপে কর্মৰত আছিল। ডেভিদ হেডলীৰ জন্মৰ পিছতে পৰিয়ালটো প্রত্যাবর্তন কৰে লাহোৰলৈ। কিন্তু পাকিস্তানৰ সমাজ-সাংস্কৃতিক পৰিবেশ তথা গোড়ামিত অতিষ্ঠ হৈ কিছুদিন পিছতে চেৰিল আমেৰিকালৈ উভতি আহে যদিও তেওঁলোকৰ সন্তান ডেভিদ পিতৃৰ সৈতেই ৰৈ যায়। পাকিস্তানত স্কুলীয়া শিক্ষা আৰম্ভ কৰা ডেভিদ সেই সময়ত পৰিচিত আছিল ডাউদ নামেৰে। ডাউদৰ ১৭ বছৰ বয়সত মাতৃ চেৰিলে পুনৰবাৰ পাকিস্তানলৈ আহি ডাউদক নিজৰ সৈতে আমেৰিকালৈ লৈ যাবলৈ সক্ষম হয়। ডাউদ আমেৰিকালৈ আহিল যদিও পাকিস্তানৰ স্কুলীয়া দিনৰ বন্ধুবোৰৰ সৈতে নিয়মিত সম্পর্ক অব্যাহত থাকিল। সেই সময়ত নাটো ডাউদ ছৈয়দ গিলানী নামটো সলনি কৰি ডেভিদ হেডলীলৈ পৰিবর্তিত হয়। মুম্বাই কাণ্ডত সন্ত্রাসবাদীয়ে তাজ হোটেলকে ধৰি যিবোৰ ঠাইক আক্রমণৰ লক্ষ্য কৰি লৈছিল সেই আটাইবোৰ ঠাইৰ ভিডিঅ' ফুটেজ হেডলীয়ে অতি সংগোপনে লৈ লস্কৰ-ই-তৈবাৰ হাতত অর্পণ কৰিছিল। আৰু ভিডিঅ' ফুটেজবোৰক ভিত্তি কৰিয়েই প্রস্তুত হৈছিল সংহাৰী মুম্বাই কাণ্ডৰ মাষ্টাৰ প্লেন।

মুম্বাই কাণ্ডৰ পিছত হেডলীয়ে আন এক সন্ত্রাসবাদী কার্যক চূড়ান্ত ৰূপ দিয়াত সহায় কৰিবলৈ লস্কৰ-ই-তৈবাৰ সৈতে মিলিত হৈছিল। এইবাৰ সন্ত্রাসবাদীসকলৰ লক্ষ্য আছিল এখন ডেনিছ বাতৰি কাকত 'জিলাণ্ডছ পষ্টেন' (Jyllands Posten)ৰ কার্যালয়। কাৰণ এইখন কাকতে মুহলিম ধর্মীয় গুৰু হজৰত মহম্মদৰ ব্যংগ চিত্র প্রকাশ কৰিছিল। কিন্তু এই কার্যক চূড়ান্ত ৰূপ দিয়াৰ পূর্বেই ২০০৯ চনৰ অক্টোবৰত ডেভিদ হেডলী আৰু তেওঁৰ স্থলীয়া দিনৰ বন্ধু তহৌৰ বানা অ'হাৰে আন্তৰাষ্ট্রীয় বিমানকোঠত গ্রেপ্তাৰ হয়। ইয়াৰ পিছতহে 'এফ বি আই'ৰ সোধা-পোহাত উন্মোচিত হয় মুম্বাই কাণ্ডত হেডলীৰ সম্পর্কৰ কথা। ভাৰতৰ তৰফৰপৰা হেডলীক হয়ালৈ অনাৰ প্রয়াস কৰা হৈছিল যদিও আমেৰিকাই সেই প্রস্তাব নাকচ কৰে। অৱশ্যে এইখিনি সময়ত ভাৰতৰ ইণ্টেলিজেন্স ব্যুৰ'ক হেডলীক প্রয়োজন অনুসাৰে জেৰা কৰাৰ অনুমতি দিয়া হৈছিল। সেই সময়ত হেডলীয়ে এক বিস্ফোৰক উক্তি দিছিল যে পাকিস্তানী চোৰাচোৰা সংস্থা আই এছ আই মুম্বাই কাণ্ডৰ সৈতে প্রত্যক্ষভাৱে জড়িত। তেওঁ কেইবাজনো প্রাক্তন পাকিস্তানী সামৰিক বিষয়াৰ সৈতে মিলিত হোৱাৰ কথাও সদৰি কৰিছিল। কিন্তু পিছত পর্যায়ত কোনো অজ্ঞাত কাৰণত হেডলীয়ে মুম্বাই কাণ্ডৰ সৈতে পাকিস্তানী চোৰাচোৰা সংস্থা আই এছ আইৰ কোনোধৰণৰ সম্পর্ক থকাৰ কথা অস্বীকাৰ কৰে। ২০০৯ চনৰ অক্টোবৰত গ্রেপ্তাৰ হোৱাৰ পূর্বে মার্চ মাহত হেডলীয়ে আৰু এবাৰ ভাৰত ভ্রমণ কৰি গৈছিল। এইবাৰ হেডলীৰ উদ্দেশ্য আছিল ভাৰতৰ 'নেশ্যনেল ডিফেন্স কলেজ' আৰু আন কেইখনমান গুৰুত্বপূর্ণ মহানগৰ সম্পর্কে তথ্য সংগ্রহ কৰা। কিন্তু কিছুদিন পিছতে হেডলী গ্রেপ্তাৰ হোৱাত ভাৰতে অন্ততঃ এইবোৰ দিশত সতর্ক হোৱাৰ সুবিধা পালে।

হেডলী চিকাগোত গ্রেপ্তাৰ হোৱাৰ পিছত যেতিয়া মুম্বাই কাণ্ডৰ সৈতে তেওঁৰ সম্পর্কৰ কথা উন্মোচিত হ'ল, তেতিয়াবেপৰা মুম্বাই কাণ্ডও তদন্তৰ বাবে হেডলীক ভাৰতলৈ অনাৰ যথাসাধ্য প্রয়াস কৰা হৈছিল। সেই সময়ত চৰকাৰ প্রচাৰ মাধ্যমৰপৰা যথেষ্ট চাপবো সম্মুখীন হৈছিল। সেই সময়ৰ গৃহমন্ত্রী পি চিদাম্বৰমে এই দিশত যথোচিত ব্যৱস্থা লোৱাৰো আশ্বাস দিছিল। কিন্তু সম্প্রতি আমেৰিকাৰ ন্যায়ালয়ৰ এই ৰায়দানৰ পিছত প্রত্যর্পণৰ এই প্রক্রিয়া কার্যতঃ সম্পূর্ণৰূপে স্তব্ধ হৈ পৰিছে বুলি ক'ব পাৰি। হেডলীৰ ওপৰত ধার্য কৰা শাস্তিৰ মাদক লৈ এক মিশ্রিত প্রতিক্রিয়াবো সৃষ্টি হৈছে। মূলতঃ মুম্বাই কাণ্ডৰ বলিসকলৰ আত্মীয়-স্বজন তথা ভাৰতীয়সকল এই ৰায়দানক লৈ সন্তুষ্ট হোৱা নাই। বাৰম্ব বহুতত ভবি দিয়া হেডলীৰ বাবে পঁইত্রিশ বছৰীয়া কাৰাদণ্ড যদিও যাৱজ্জীৱন কাৰাদণ্ডৰ সদৃশেই তথাপি ই যাৱজ্জীৱন কাৰাদণ্ড নহয়। সেয়েহে এনে এক গুৰুতৰ অপৰাধিক তুলনামূলকভাবে লঘু শাস্তি প্রদান কৰি আন অপৰাধীকো এনে কার্যৰ বাবে প্ররোচিত কৰাৰ দৰে হ'ব বুলি বহুতে সন্দেহ প্রকাশ কৰিছে। তথাপি এই মুহূর্তত সন্ত্রাসবিৰোধী বিশ্ব মানৱ বাবে এটাই সন্তুষ্টি যে অন্ততঃ আগন্তুক পঁইত্রিশ বছৰলৈকে বিশ্বৰ মানৱ সমাজ এই কুখ্যাত অপৰাধীৰ সন্ত্রাসৰপৰা মুক্ত থাকিব পাৰিব।

মুম্বাই কাণ্ডত সন্ত্রাসবাদীয়ে তাজ হোটেলকে ধৰি যিবোৰ ঠাইক আক্রমণৰ লক্ষ্য কৰি লৈছিল সেই আটাইবোৰ ঠাইৰ ভিডিঅ' ফুটেজ হেডলীয়ে অতি সংগোপনে লৈ লস্কৰ-ই-তৈবাৰ হাতত অর্পণ কৰিছিল। আৰু ভিডিঅ' ফুটেজবোৰক ভিত্তি কৰিয়েই প্রস্তুত হৈছিল সংহাৰী মুম্বাই কাণ্ডৰ মাষ্টাৰ প্লেন।